# কেওকটা পোক বা কাটওৰ্ৱম

গোত্ৰ নকটোইদে (*Noctuidae*)

কেওকটা পোক বোৰ হ’ল নিশা ওলোৱা মথবোৰৰ পলু। দুটা বিশেষ প্ৰজাতিৰ পলু সাধাৰণতে দেখা যায়, চালগোমৰ মথ (*Agrotis segetum*) আৰু গ্ৰীজি কেওকটা পোক (*Agrotis ypsilon*)। গৰম আৰু শুকান বতৰত আৰু কম আলতীয়া মাটি বা বালি চঁহীয়া মাটিত কেওকটা পোকৰ আক্ৰমণ বেছি।

**আক্ৰমণ কৰা মূল শস্য**

কেওকটা পোকে সাধাৰণতে পুলি অৱস্থাত থকা শস্যৰ কাণ্ডবোৰ অনিষ্ট কৰে। থিক মাটিৰ ওপৰত বা মাটিৰ সমানতে কাণ্ডবোৰ কাটি পেলায় বা আধা চিঙি নষ্ট কৰে। ফলত পুলি বোৰ লেৰেলি যায় আৰু শুকাই যায়।

**আক্ৰমণৰ লক্ষণ**

কেওকটা পোক বোৰে ৰাতিহে খাদ্যৰ সন্ধানত বাহিৰলৈ ওলায়। ইহঁতে সৰু পুলিবোৰৰ কাণ্ডবোৰ মাটিৰ ওপৰিভাগত বা মাটিৰ সমানতে সম্পূৰ্ণ বিছিন্ন কৰি পেলায় বা আধা চিঙি পেলায়। কেওকটা পোক বোৰে সম্পূৰ্ণ এটা শাৰী নষ্ট কৰিব পাৰে, আক্ৰমণৰ ফলত গছ বোৰ লেৰেলি যায় বা গছ বোৰ শুকাই যায়।



**পোকৰ বিৱৰণ**

কেওকটা পোক বোৰ দেখাত ডাঙৰ আৰু সেউজীয়া, বা মুগা বা ছাই বৰণৰ হয়। যদি লৰাই দিয়া হয় এই পোক বোৰ ইংৰাজী “C” আখৰৰ দৰে হয়। ইহঁত প্ৰায় ২-৫ চে:মি: দীঘল হয়।

**জীৱন চক্ৰ**

মাইকী মথ বিলাকে এবাৰত ৩০-৫০ টা কণী পাৰে। কণী বোৰ কেতিয়াবা পাতত, বা গছৰ কাণ্ডত বা ওচৰৰ অপতৃণ বোৰত আৰু আনকি গছ-গছনিৰ পেলনীয়া অংশতো পাৰিব পাৰে। ১০০০ টা মান কণী ১-২ সপ্তাহৰ ভিতৰত পাৰিব পাৰে আৰু ১৪ দিন মানৰ ভিতৰত কণীৰ পৰা পলুবোৰ বাহিৰলৈ ওলায়। সৰু পলুবোৰে প্ৰথম দুসপ্তাহ আক্ৰমণ কৰা শস্যৰ পাতবোৰ খায় আৰু তাৰ পিছতহে মাটিলৈ নামি আহে। দিনত কেওকটা পোকৰ পলু বোৰে মাটিত থাকে (সাধাৰণতে ১০-২৫ মিলিমিটাৰ গভীৰতাত)। পলুবোৰ ৰাতি বাহিৰলৈ ওলায় আহে আৰু ১-২ মাহ মান সময় এনেধৰণেৰে খোৱাৰ পাছত পলুবোৰে লেটা বান্ধিবৰ বাবে মাটিত সুৰুঙা কৰি সোমায় যায়। পূৰ্ণাংগ পলুবোৰ ৩০-৪০ মিলিমিটাৰ দীঘল হয়। লেটা বান্ধিবৰ সময়ত পলু বোৰ মুগা বৰণ ধৰে। লেটাৰ পৰা পূৰ্ণাংগ মথহৈ ওলাই অহালৈকে ২-৩ সপ্তাহ সময় লয়।

## সাৱধানতা আৰু নিয়ন্ত্ৰণ

**চোকা নিৰিক্ষণ:** প্ৰতিদিনে কেওকটা পোকৰ দ্বাৰা কোনো পুলি আক্ৰান্ত হৈছে নেকি তাক চাব লাগে। যদিহে কোনো ধৰণৰ লেৰেলি যোৱা বা মৰি যোৱা পুলি দেখা পোৱা যায় তেনেহ’লে কেওকটা পোকৰ পলুটো গছৰ গুৰিটোৰ ওচৰে পাজৰে নোপৰোৱালৈকে খুচৰি চাব লাগে। পলুবোৰ বিচাৰি ওলিয়াই নষ্ট কৰি পেলোৱা উচিত। এনে কৰিলে পলুবোৰ ওচৰৰ আন শস্যবোৰ নষ্ট কৰাৰ পৰা ৰক্ষা কৰিব পাৰি। বৰষুণ নিদিয়া ফৰকাল বতৰত হাতত টৰ্চ এটা লৈ গছৰ গুৰিৰ ওচৰত ভালদাৰে চালে পলু বোৰ দেখা পোৱা যায় আৰু হাতেৰে তুলি এই বোৰ মাৰি পেলাব লাগে।

**আঁতৰাই পেলোৱা:** কমকৈ আক্ৰান্ত হ'লে মাটিত পলুবোৰ বিচাৰি ধ্বংস কৰিব পাৰি। কিন্তু, বেছি পৰিসৰত আক্ৰান্ত হ'লে তলত উল্লেখ কৰা পদ্ধতি সমূহ মানি চলিব পাৰি।

**মাটি পৰীক্ষা:** মাটিৰ অম্লতা পৰীক্ষা কৰিব লাগে, কাৰণ অম্লতাইও কেওকটা পোকৰ আক্ৰমণ বৃদ্ধি হোৱাত সহায় কৰে।

**উপকাৰী জীৱ:** চৰাইৰ বসতি কৰা অঞ্চল সমূহ যাতে শস্য ডৰাৰ ওচৰে পাজৰে থাকে তাক নিশ্চিত কৰিব লাগে কাৰণ চৰাই বোৰে এই পলুবোৰ খায়। কিছুমান পোকেও এই পলুবোৰ খায়। সেই কৰেণে, এনে পোক পতংগ বোৰকো বৃদ্ধি পোৱাত সহায় কৰিব লাগে। মালচিং কৰিও বহুত উপকাৰী পোক পৰুৱাক বসতি স্থলৰ যোগান ধৰিব পাৰি।

**হালবোৱা:** লেটা আৰু পলুবোৰ হাল বাই মাটিৰ ভিতৰৰ পৰা বাহিৰলৈ ওলিয়াই আনিব পাৰি। টান ৰ'দৰ বতৰত আৰু শুকান মাটিত হাল বালে এই পলুবোৰ বা লেটা বোৰ বাহিৰলৈ ওলাই আহে আৰু চৰাই চিৰিকতিয়ে এই বোৰ খাব পাৰে। পোহনীয়া চৰাই বা মুৰ্গী ইত্যাদি হাল বোৱাৰ পাচত চৰিবলৈ দিও পলুবোৰ আৰু লেটাবোৰ ধ্বংস কৰিব পাৰি।

**প্ৰতিপালন:** পুলিৰ চাৰিওফালে গুৰিটোত ছাঁই চটিয়ালে মথবোৰৰ কণী পৰাত বাধা জন্মে। যদিহে কেওকটা পোকৰ সমস্যা থকা যেন গম পোৱা যায় তেনেহ'লে হিচাপতকৈ বেছি পুলি লগোৱা উচিত।

**ৰোপন:** যদিহে কেওকটা পোকৰ সমস্যা থকা যেন গম পোৱা যায় তেনেহ'লে পোনপটীয়াকৈ বীজ সিঁচা কাম কৰিব নালাগে। অলপ ডাঙৰ পুলি লগালে ভাল কাৰণ কেওকটা পোকে এনে পুলি বোৰ সহজে নষ্ট কৰিব নোৱাৰে।

**বাধা:** সহজে নষ্ট কৰিব পৰা পুলিবোৰ ৰোৱাৰ পিচত চাৰিওফালে কিছুমান বাধা দিব লাগে।

কিছুমান পুৰণা টিনৰ পাত্ৰ বা প্লাষ্টিক পাত্ৰৰ সহায়ত পুলিটো ভিতৰত ৰাখি মাটিত পুতি দিও কেওকটা পোকৰ আক্ৰমণ ৰোধ কৰিব পাৰি। দুডাল ক্ষীণ মাৰি ভালদৰে গুৰিৰ ওচৰত পুতি দিও কেওকটা পোকবোৰ গুৰিৰ ওচৰত অহাত বাধা দিব পাৰি।



**স্প্ৰে প্ৰয়োগ:** আক্ৰান্ত গছৰ চাৰিওফালে পানী বা পাইৰেথ্ৰাম, জলকীয়া বা নহৰুৰ মিশ্ৰণ স্প্ৰে কৰিলেও কেওকটাৰ আক্ৰমণ হ্ৰাস কৰিব পাৰি। এনে পদ্ধতিৰে কেওকটা পোকৰ জীৱন চক্ৰৰ যি কোনো স্তৰ নিয়ন্ত্ৰন কৰিলে ফলদায়ক হয়। আন ফলদায়ক মিশ্ৰণ প্ৰস্তুত কৰিব পৰা গছ বোৰ হ'ল, ব্ৰজা, এৰা গছ (*Ricinus communis*), ধতুৰা (*datura stramonium*), *পকমন* (*Solanum panduriforme*), *Lonchocarpus capassa, Mundulea sericea, Tephrosia, Combretum imberbe, Spirostachys africana, pawpaw*

**কেওকটা স্প্ৰে:** এমুঠি মৰা কেওকটা পোকৰ পলু পানীত ঘুটি লৈ ছেকি ল'ব লাগে। এই মিশ্ৰণ খিনি ৪ ভাগ পানীৰ লগত মিহলি কৰি শস্যত স্প্ৰে কৰিব লাগে।

**গৰু গোবৰ:** এক বেলচা শুকান গোবৰ ১০ লিটাৰ পানীত ভালদৰে মিহলি কৰি ল'ব লাগে। এই মিশ্রণ খিনি প্রায় ১৪ দিন মান ঢাকি ৰাখিব লাগে আৰু দিনে এবাৰ ভালদৰে লৰাব লাগে। গোন্ধ কমাবৰ বাবে এমুঠি কাঠ খৰিৰ ছাইও ঢালিব পাৰি। ইয়াৰ ওপৰিও এনে কৰিলে কিছুমান প্রয়োজনীয় খনিজ পদাৰ্থও যোগ দিব পাৰি।

১৪ দিনৰ মূৰত এই মিশ্রণ খিনি ৪ ভাগ পানীৰ লগত মিহলাইহে স্প্রে কৰিব লাগে। এই মিশ্রণ পুলিৰ চাৰিওফালে মাটিত প্রয়োগ কৰিব লাগে।



**পানী যোগান:** প্লাষ্টিক ঘৰত বা সেউজ গৃহত মাটিবোৰ পানীৰে তিয়াই ৰাখিলে কেওকটা পোক বোৰ মাটিৰ ওপৰ ভাগলৈ উঠি আহে। এই বিলাক হাতেৰে উঠাই বা পিতিকি নষ্ট কৰিব পাৰি।


**এই পুস্তিকা খনৰ অনুবাদ, সম্পাদনা আৰু প্রকাশন**

**ফাৰটাইল গ্রাউণ্ড:** **আৰু** **হৃদয়ংগম,**

ইষ্ট/উৱেষ্ট চাচটেইনেবিলিটি নেটওৱৰ্ক,
ভেনকভাৰ আইলেণ্ড, বিট্রিচ কলম্বিয়া, কানাডা
fertile_ground2003@yahoo.com

মাঘেৰিটা চাচটেইনেবল এগ্রিকালচাৰেল ফৰাম,
মাঘেৰিটা, অসম, ভাৰত
hridayangam@yahoo.com

**ৰ এক যুটীয়া প্রকল্পৰ অধীনত সম্পন্ন হৈছে**

তলত উল্লেখিত অনুস্থান সমূহৰ সহায়ৰ বাবে ফাৰটাইল গ্রাউণ্ড আৰু হৃদয়ংগমৰ তৰফৰ পৰা ধন্যবাদ জনোৱা হ'ল
কানাডা ইণ্ডিয়া ভিলেজ এইড, ভেনকভাৰ, বি.চি. কানাডা
ওৰ্ৱল্ড কমিউনিটি ডেভেলপমেণ্ট এডুকেশ্যন চচাইটি, কৰ্টনি, বি.চি. কানাডা
বি.চি. এছছিয়েছন অব প্রফেছনেল এগ্র'লজিষ্ট, কানাডা
"শব্দলিপি" চফটৱেৰৰ বাবে টি. আই. ট্রেড, গোপিনাথ বৰদলৈ পথ, গুৱাহাটী, অসম

The original English version of this material was published by International Programme, HDRA, the organic organisation.
We are grateful for their permission to translate this material into Assamese.
Many more useful resource materials are available on their website: **www.hdra.org.uk**
Mailing address: HDRA, the organic organisation, Ryton Organic Gardens Coventry, CV8 3LG, U.K.

**প্রথম সম্পাদনা - এপ্রিল, ২০০৪**